**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 09-10-2023
**Time :** 19-10 Hrs.

***Assamese Evening Bulletin***

**::::::::::::::::::::::::::::::::::::**

১। ইজৰাইল আৰু হামাচৰ মাজত চলি থকা সংঘাটৰ ফলত মৃত্যুৰ সংখ্যা ১১ শৰো অধিক হৈছেগৈ।

২। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং ৪ দিনীয়া ভ্ৰমণসূচীৰে ইটালী আৰু ফ্ৰান্স অভিমুখে ৰাওনা হৈছে।

৩। আমেৰিকাৰ অধ্যাপক ক্লোডিয়া গলদিনলৈ ২০২৩ বৰ্ষৰ অৰ্থনীতিৰ নবেল বঁটা আগবঢ়োৱা হৈছে।

৪। কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কৈছে যে ভাৰত সম্প্ৰতি বিনিয়োগৰ আদৰ্শ গন্তব্য স্থানত পৰিণত হৈছে। *আৰু*

৫। আই চি চি এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ হায়দৰাবাদত অনুষ্ঠিত খেলত নিউজিলেণ্ডে - নেডাৰলেণ্ডক জয়ৰ বাবে ৩২৩ ৰাণৰ লক্ষ্য বান্ধি দিছে।

০০০০

ইজৰাইল আৰু হামাচৰ মাজত চলি থকা সংঘাটৰ ফলত মৃত্যুৰ সংখ্যা ১১শৰো অধিক হৈছেগৈ। গাজা ষ্ট্ৰিপত ১ লাখ ২৩ হাজাৰৰো অধিক লোক গৃহহাৰা হৈছে। যুদ্ধ চলি থকাৰ সময়তে আমেৰিকাই ইজৰাইলক সমৰ্থন প্ৰদৰ্শনৰ বাবে যুদ্ধ জাহাজ আৰু যুজাৰু বিমান সাজু কৰিছে। শনিবাৰৰ পৰাই এই যুদ্ধ আৰম্ভ হয় যেতিয়া হামাচে ইজৰাইলৰ ওপৰত ৰকেট বৰ্ষণ কৰে আৰু যোদ্ধা প্ৰেৰণ কৰি সাধাৰণ নাগৰিকৰ ওপৰত গুলিবৰ্ষণ কৰি হত্যা কৰে আৰু সাধাৰণ নাগৰিকক পণবন্দী কৰে। ইজৰাইলেও ইয়াৰ প্ৰত্যুত্তৰত গাজাত বিমান আক্ৰমণ চলাই আৰু তাৰ পাছতেই সংঘাট তীব্ৰতৰ হৈ পৰে। সোমবাৰে ইজৰাইলৰ সেনাই কয় যে, গাজা ষ্ট্ৰিপত নিশাৰ ভিতৰতে ৫শৰো অধিক লক্ষ্যত আক্ৰমন কৰে। ইজৰাইলৰ সেনাই আৰু কয় নিৰাপত্তা বেষ্টনীৰ কাষৰ অনুপ্ৰৱেশ হোৱা প্ৰায় বিলাক অঞ্চলতে তেওঁলোকে নিয়ন্ত্ৰণত আনিছে। আমেৰিকাইও ইজৰাইলত দৃঢ়তাৰে সমৰ্থনত প্ৰতিশ্ৰুতি দিছে আৰু আন পক্ষক সংঘাটৰ পৰা আঁতৰি থাকিবলৈ সকিয়াই দিছে। আমেৰিকাই তেওলোকৰ দেশৰ নাগৰিক নিহত আৰু বন্দী হোৱা বাতৰিটো বিশদভাৱে পৰীক্ষা কৰি আছে। ৰাষ্ট্ৰপতি জো বাইদেনে দেওবাৰে সামৰিক সাহায্য প্ৰেৰণ কৰাৰ সময়তে আমেৰিকাৰ যুদ্ধ জাহাজ আৰু যুদ্ধ বিমানক ইজৰাইলৰ ওচৰলৈ নিৰ্দেশ দিয়ে। পেন্তাগনে কয় যে তেওঁলোকে বিমানবাহী জাহাজ USS Jerald-R Ford আৰু ইয়াৰ লগত থকা যুদ্ধ জাহাজসমূহ পূব ভূমধ্য সাগৰলৈ প্ৰেৰণ কৰাৰ লগতে অঞ্চলটোত যুজাৰু বিমানৰ সংখ্যা বৃদ্ধি কৰে। এই যুদ্ধই সাধাৰণ নাগৰিকৰ যথেষ্ট ক্ষতিসাধন কৰিছে। সংঘাট আৰম্ভ হোৱাৰ পাছৰে পৰা গাজা ষ্ট্ৰিপত এখ লাখ ২৩ হাজাৰ লোক স্থানান্তৰিত হৈছে। সোমবাৰে ৰাষ্ট্ৰসংঘই প্ৰকাশ কৰা অনুসৰি ৭০ হাজাৰৰো অধিক লোকে বিদ্যালয়ত আশ্ৰয় গ্ৰহণ কৰিছে। ইজৰাইলী বাহিনী আৰু ইৰাণ সমৰ্থিত হিজবুল মিলিছিয়াই গুলিবৰ্ষণ আৰু ৰকেট নিক্ষেপ কৰাৰ ফলত এই সংঘাট অন্যান্য

অঞ্চললৈও বিয়পি পৰিছে। ইজিপ্তত এজন পৰ্যটক গাইডসহ  দুজন ইজৰাইলী পৰ্যটকক গুলিয়াই হত্যা কৰা হয়। সমগ্ৰ বিশ্বৰ এই সংঘাটত উভয় পক্ষকে সংযমী হ'বলৈ আহ্বান জনাইছে। ইৰাণ হিজবুল্লা আৰু মধ্যপ্ৰাচ্যৰ বিভিন্ন ৰাষ্ট্ৰই হামাচক সমৰ্থন কৰাৰ বিপৰীতে পশ্চিমীয়া ৰাষ্ট্ৰসমূহ ইজৰাইলৰ কাষত ঠিয় হৈছে।

০০০০

ইজৰাইলৰ প্ৰতিৰক্ষা মন্ত্ৰী য়োভ গেলেন্তে ইতিমধ্যে গাজা সম্পূৰ্ণৰূপে ঘেৰাও কৰাৰ নিৰ্দেশ দিছে। শ্ৰীগেলেন্তে কয় যে, এই নতুন  ব্যৱস্থাৰ জৰিয়তে বিদ্যুৎ কৰ্তন কৰা হ'ব আৰু খাদ্য, ইন্ধন মজুত কৰাত নিষেধাজ্ঞা আৰোপ কৰা হ'ব। ইফালে গাজাৰ স্বাস্থ্য মন্ত্ৰালয়ে জনোৱা মতে, শনিবাৰৰ পৰা গাজা ষ্ট্ৰিপত হোৱা ইজৰাইলৰ ক্ষেপনাস্ত্ৰৰ আক্ৰমনত ৫১১ জন লোক নিহত হোৱাৰ লগতে ২ হাজাৰ ৭৫০ জন আহত হয়। ইয়াৰ পূৰ্বে ইজৰাইলী সেনাই গাজাৰ হামাচৰ কেন্দ্ৰসমূহত ব্যাপক আক্ৰমণ চলাইছে বুলি প্ৰকাশ কৰিছে। আনহাতে, অষ্ট্ৰিয়া আৰু জাৰ্মানীয়ে পেলেষ্টাইনলৈ সাহায্য স্থগিত ৰখাৰ কথা ঘোষণা কৰিছে। হাংগেৰীয়ে ইজৰাইলৰ পৰা ১১০ জন ব্যক্তিক সুৰক্ষিতভাৱে উলিয়াই আনিবলৈ সক্ষম হৈছে। হাংগেৰীৰ বৈদেশিক মন্ত্ৰী পিটাৰ চিজাৰ্টোই কৈছে যে, এতিয়ালৈকে ৪৪ টা শিশুকে ধৰি মুঠ ৩২৫ জন লোকক উদ্ধাৰ কৰা হৈছে। উদ্ধাৰ কৰা লোকসকলৰ ভিতৰত ১৫ জন লোক হাংগেৰীৰ নাগৰিক নহয়। ইজৰাইলৰ বিৰুদ্ধে হামাচে চলোৱা আকস্মিক আক্ৰমণৰ এদিন পিছতে ফ্ৰান্স, ব্ৰিটেইন, থাইলেণ্ড আৰু নেপালকে ধৰি কেবাখনো দেশে নিশ্চিত কৰিছে যে, তেওঁলোকৰো বহু নাগৰিকক হয় হত্যা কৰা হৈছে নহয় অপহৰণ কৰা হৈছে।

০০০০

কেন্দ্ৰীয় আয়ুষ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি কয় যে, দেশৰ সৰ্বভাৰতীয় চিকিৎসা বিজ্ঞান প্ৰতিষ্ঠানত এটা উৎসৰ্গিত আয়ুষ শৈক্ষিক বিভাগ থাকিব। মুম্বাইত অনুষ্ঠিত ৰাষ্ট্ৰীয় আয়ুষ মিছনৰ আঞ্চলিক পৰ্যালোচনা বৈঠকত তেওঁ এইদৰে কয়। শ্ৰীসোণোৱালে কয় যে, চৰকাৰে আধুনিক আৰু পৰম্পৰাগত, দুয়োটা স্বাস্থ্য সেৱা ব্যৱস্থা সকলো স্তৰৰ লোকৰ বাবে উপলব্ধ হোৱাটো  নিশ্চিত কৰিবলৈ চেষ্টা কৰিছে। তেওঁ কয় যে কোৰিড মহামাৰীৰ সময়ত আয়ুষ ব্যৱস্থাৰ অৱদানৰ বাবেই সমগ্ৰ বিশ্বই আয়ুষ ব্যৱস্থাক স্বীকৃতি দিছে। তেওঁ লগতে কয় যে বিশ্ব স্বাস্থ্য সংস্থাই আয়ুষ মন্ত্ৰালয়ৰ সৈতে মিলি গুজৰাটৰ গান্ধীনগৰত দুদিনীয়া বিশ্ব পৰম্পৰাগত ঔষধ সন্মিলনৰ আয়োজন কৰে। শ্ৰীসোণোৱালে কয় যে, ভাৰতত পৰম্পৰাগত ঔষধৰ ক্ষেত্ৰত এটা ইউনিকৰ্ণকে ধৰি ৯০০ ৰো অধিক ষ্টাৰ্ট আপ আছে। আয়ুষ ৰাজ্য মন্ত্ৰী মহেন্দ্ৰ মুঞ্জাপাৰাই ৰাজ্যসমূহক অৰ্থৰ সঠিক ব্যৱহাৰ আৰু নিৰিক্ষণ কৰি প্ৰশাসনিক গাঠনি শক্তিশালী কৰা, উন্নত আন্তঃগাথনি গঢ়ি তোলা আৰু কৰ্মচাৰী প্ৰশিক্ষণৰ ওপৰত গুৰুত্ব আৰোপ কৰিবলৈ আহ্বান জনায়। পৰ্যালোচনা বৈঠকত মহাৰাষ্ট্ৰ, ৰাজস্থান, গুজৰাট, গোৱা, আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জ, দাদৰ আৰু নগৰ হাৱেলী, আৰু দামান আৰু দিউৰ প্ৰতিনিধি উপস্থিত থাকে।

০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং ৪ দিনীয়া ভ্ৰমণসূচীৰে ইটালী আৰু ফ্ৰান্স অভিমুখে ৰাওনা হৈছে। ভ্ৰমণৰ প্ৰথম পৰ্যায়ত তেওঁ ইটালীৰ প্ৰতিৰক্ষা মন্ত্ৰী গুইডো ক্ৰছেটোক ৰোমত সাক্ষাৎ কৰিব। ভাৰত আৰু ইটালীৰ মাজৰ সম্পৰ্ক চলিত বছৰৰ মাৰ্চত দেশখনৰ  প্ৰধানমন্ত্ৰীয়ে ভাৰত ভ্ৰমণ কৰাৰ সময়ছোৱাত কৌশলগত অংশীদাৰিত্বৰ  পৰ্যায়লৈ

উন্নীত হৈছিল। ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত শ্ৰীসিঙে ফ্ৰান্সৰ প্ৰতিৰক্ষা মন্ত্ৰী চেবাষ্টিয়ান লেক'ৰ্ণোৰ সৈতে পেৰিছত পঞ্চম বাৰ্ষিক প্ৰতিৰক্ষা বাৰ্তালাপত অংশগ্ৰহণ কৰিব। উল্লেখযোগ্য যে ভাৰত আৰু ফ্ৰান্সে শেহতীয়াকৈ কৌশলগত অংশীদাৰিত্বৰ ২৫ সংখ্যক বাৰ্ষিকী উদ্‌যাপন কৰে। দুয়োখন দেশৰ মাজত গুৰুত্বপূৰ্ণ ঔদ্যোগিক সহযোগিতাকে ধৰি দ্বিপাক্ষিক প্ৰতিৰক্ষা সহযোগিতা আছে। ৰোম আৰু পেৰিছ দুয়ো ঠাইতে প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে প্ৰতিৰক্ষা উদ্যোগসমূহৰ মুখ্য কাৰ্যবাহী বিষয়া আৰু জ্যেষ্ঠ প্ৰতিনিধিবৰ্গৰ সৈতে ঔদ্যোগিক সহযোগিতাৰ ক্ষেত্ৰৰ সম্ভাৱনীয়তা আৰু সুযোগসমূহৰ বিষয়ে মত বিনিময় কৰিব।

oooo

আমেৰিকাৰ অধ্যাপক ক্লোডিয়া গলদিনলৈ ২০২৩ বৰ্ষৰ অৰ্থনীতিৰ নবেল বঁটা আগবঢ়োৱা হৈছে। শ্ৰমিক বজাৰ খণ্ডত মহিলাসকলৰ অৱদান সম্পৰ্কে কৰা গৱেষণাৰ বাবে গলদিনলৈ এই বঁটা আগবঢ়োৱা হৈছে। ৰয়েলছ চুইডিছ্ একাডেমী অৱ চাইঞ্চেজে আজি এই বিষয়ে ঘোষণা কৰে। এই মাহৰ ২ তাৰিখে আৰম্ভ কৰা নবেল বঁটাৰ এয়া অন্তিমটো ঘোষণা আছিল। অহা ডিচেম্বৰত অশ্বল' আৰু ষ্টকহ'মত নবেল বঁটাসমূহ প্ৰদান কৰা হ'ব।

oooo

কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কৈছে যে ভাৰত সম্প্ৰতি বিনিয়োগৰ আদৰ্শ গন্তব্য স্থানত পৰিণত হৈছে। সমাগত গোলকীয় সামুদ্ৰিক ভাৰত শীৰ্ষ সন্মিলন ২০২৩ ৰ পূৰ্বে অনুষ্ঠিত এটি অনুষ্ঠানক সম্বোধন কৰি শ্ৰীসোণোৱালে কয় যে, কেন্দ্ৰই গ্ৰহণ কৰা সাগৰমালা প্ৰকল্পকে ধৰি আন ভালেমান পদক্ষেপৰ বাবে যোৱা দশকত ভাৰতৰ বন্দৰ সমূহৰ দক্ষতা আৰু সামগ্ৰী লেনদেনৰ ক্ষমতা কেবাগুণো বৃদ্ধি কৰিছে। গোলকীয় সামুদ্ৰিক ভাৰত শীৰ্ষ সন্মিলনৰ তৃতীয় সংস্কৰণৰ বিষয়ে উল্লেখ কৰি শ্ৰীসোণোৱালে কয় যে, এই সন্মিলনত ৪০ খনতকৈ অধিক দেশে অংশগ্ৰহণ কৰিব। সন্মিলনত প্ৰায় ৩শ খন বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হোৱাৰ সম্ভাৱনা থকাৰ লগতে ১০ লাখ কোটি টকাৰ বিনিয়োগ আৰু প্ৰায় ১৫ লাখ কৰ্মসংস্থান সৃষ্টি হব বুলিও তেওঁ লগতে উল্লেখ কৰে। সামুদ্ৰিক অৰ্থনীতিৰ বৃদ্ধি, সেউজ বন্দৰ বিকাশ কাৰ্যসূচীক উদগণি যোগোৱা দীৰ্ঘস্থায়ী আন্তঃগাঠনি, জাহাজ পৰ্যটন আৰু সামুদ্ৰিক উদ্যোগৰ উন্নীতকৰণৰ বাবে গোলকীয় বিনিয়োগ আকৰ্ষণ কৰাই ভাৰতৰ মূল লক্ষ্য বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। মুম্বাইৰ এম এম আৰ ডি এ গ্ৰাউণ্ডত অহা ১৭ ৰ পৰা ১৯ অক্টোবৰলৈ এই সন্মিলন অনুষ্ঠিত হ'ব।

oooo

কেন্দ্ৰীয় পেট্ৰ'লিয়াম মন্ত্ৰী হৰদীপ সিং পুৰীয়ে আজি কয় যে ইজৰাইল পেলেষ্টাইন সংঘৰ্ষই ভাৰতৰ বাবে শক্তিৰ সমস্যাৰ সৃষ্টি নকৰে। নতুন দিল্লীত অনুষ্ঠিত ২৬ সংখ্যক শক্তি প্ৰযুক্তি বৈঠক উদ্বোধন কৰি শ্ৰীপুৰীয়ে কয় যে, চৰকাৰে এই বিষয়টোৰ ওপৰত অতি তীক্ষ্ণ দৃষ্টি ৰাখিছে। তেওঁ কয় যে, এই বিষয়টোৰ ক্ষেত্ৰত দেশখনে নিজৰ পথ বাচি লব। মন্ত্ৰীগৰাকীয়ে কয় যে, ভাৰত শক্তি পৰিৱৰ্তনৰ দিশত আগবাঢ়িছে আৰু এই পৰিৱৰ্তন প্ৰথমে জীৱাশ্ম ভিত্তিক ইন্ধনৰ পৰা পৰিস্কাৰ ইন্ধনলৈ আৰু তাৰ পিছত অধিক নৱীকৰণযোগ্য ইন্ধনলৈ হ'ব।

oooo

দেশৰ নিৰ্বাচন আয়োগে আজি পাঁচখন ৰাজ্যৰ বিধানসভা নিৰ্বাচনৰ সূচী ঘোষণা কৰে। সেই অনুসৰি ছত্তিশগড় বিধানসভাৰ প্ৰথম পৰ্যায়ৰ নিৰ্বাচন ৭ নৱেম্বৰত আৰু দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচন ১৭ নৱেম্বৰত অনুষ্ঠিত হ'ব। একেদৰে মিজোৰামত ৭ নৱেম্বৰত,  মধ্যপ্ৰদেশত ১৭ নৱেম্বৰত, ৰাজস্থানত ২৩ নৱেম্বৰত আৰু তেলেংগানাত ৩০ নৱেম্বৰত নিৰ্বাচন অনুষ্ঠিত হ'ব। অহা ৩ ডিচেম্বৰত আটাইকেইখন ৰাজ্যৰ নিৰ্বাচনৰ ভোটগণনা কৰা হ'ব।

নতুন দিল্লীত আজি সাংবাদিকৰ আগত মুখ্য নিৰ্বাচনী আয়ুক্ত ৰাজীৱ কুমাৰে কয় যে, ২০২৪ চনৰ ৰাষ্ট্ৰীয় নিৰ্বাচনৰ পূৰ্বে চূড়ান্ত বিধানসভা নিৰ্বাচন হিচাপে এই পাঁচখন ৰাজ্যৰ নিৰ্বাচনে বিশেষ তাৎপৰ্য বহন কৰিছে। আয়োগে এই ৰাজ্যকেইখনত মুক্ত, নিকা আৰু প্ৰৰোচনামুক্ত নিৰ্বাচন নিশ্চিত কৰিব বুলি শ্ৰীকুমাৰে প্ৰকাশ কৰে। উল্লেখযোগ্য যে, এই পাঁচখন ৰাজ্যত প্ৰায় ১৬ কোটি ভোটদাতা আছে।

০০০০

আই চি চি এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ  হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তৰাষ্ট্ৰীয় ষ্টেডিয়ামত অনুষ্ঠিত আজি এখন খেলত নিউজিলেণ্ডে - নেডাৰলেণ্ডক জয়ৰ বাবে ৩২৩ ৰাণৰ লক্ষ্য বান্ধি দিছে। ইয়াৰ পূৰ্বে নেডাৰলেণ্ডে টছত জিকি বলিং কৰাৰ সিদ্ধান্ত লয়। নিউজিলেণ্ডে নিৰ্ধাৰিত ৫০ অভাৰত ৭ উইকেটৰ বিনিময়ত ৩২২ ৰাণ সংগ্ৰহ কৰে। আমালৈ অহা শেহতীয়া বাতৰি অনুসৰি নেডাৰলেণ্ডে ১৫ অভাৰ ৪ টা বলত ২ উইকেটৰ বিনিময়ত ৬৩ ৰাণ সংগ্ৰহ কৰে।

কালি নিশা এখন খেলত ভাৰতে-অষ্ট্ৰেলিয়াক ৬ উইকেটত পৰাস্ত কৰে।

০০০০

সমাপ্ত